অধ্যায় ৩ ঃ সাহিত্যদর্পণ (প্রথম পৰিচ্ছেদ)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ কাব্য অধ্যয়নৰ ফল (মূল সংস্কৃত পাঠ)

৩.৩.১ কাব্য অধ্যয়নৰ ফল (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৪ কাব্যৰ শ্রেষ্ঠত্ব প্রতিপাদন (মূল সংস্কৃত পাঠ)

৩.৪.১ কাব্যৰ শ্রেষ্ঠত্ব প্রতিপাদন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৫ মম্মটৰ কাব্য লক্ষণ আৰু তাৰ খণ্ডন (মূল সংস্কৃত পাঠ)

৩.৫.১ মম্মটৰ কাব্য লক্ষণ আৰু তাৰ খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৬ বক্রোক্তিবাদৰ লক্ষণ খণ্ডন (মূল সংস্কৃত পাঠ)

৩.৬.১ বক্রোক্তিবাদৰ লক্ষণ খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৭ ধ্বনিকাৰৰ মত খণ্ডন (মূল সংস্কৃত পাঠ)

৩.৭.১ ধ্বনিকাৰৰ মত খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৮ ৰামনৰ ৰীতিবাদ খণ্ডন (মূল সংস্কৃত পাঠ)

৩.৮.১ ৰামনৰ ৰীতিৱাদ খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.৯ বিশ্বনাথ কবিৰাজৰদ্বাৰা কাব্যৰ লক্ষণ নিৰূপণ (মূল সংস্কৃত পাঠ)

৩.৯.১ বিশ্বনাথ কবিৰাজৰদ্বাৰা কাব্যৰ লক্ষণ নিৰূপণ (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.১০ কাব্যত দোষ আৰু গুণৰ স্বৰূপ (মূল সংস্কৃত পাঠ)

৩.১০.১ কাব্যত দোষ আৰু গুণৰ স্বৰূপ (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

৩.১১ এই অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

৩.১২ অধিক জানিবলৈ

৩.১৩ অগ্রগতিৰ খতিয়ান

৩.১৪ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কাব্য অধ্যয়নৰ পৰা পোৱা ফলৰ বিষয়ে জানিব পাৰিব
- কাব্য অধ্যয়নৰ প্রয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব

- বিশ্বনাথ কবিৰাজৰ আগৰ যুগত প্রচলিত কাব্যৰ লক্ষণ আৰু ইয়াৰ খণ্ডনৰ বিষয়ে অবগত হ'ব
- কাব্যৰ জনপ্রিয়তাৰ বিষয়ে জানিব
- বিশ্বনাথ কবিৰাজে আগবঢ়োৱা কাব্যৰ লক্ষণৰ বিষয়ে অবগত হ'ব
- কাব্যৰ দোষ আৰু গুণৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টিত আপুনি **সাহিত্যদর্পণ**ৰ প্রথম পৰিচ্ছেদৰ গোটেইখিনি বিষয়ৰ আলোচনা পাব। তদুপৰি কাব্যৰ লক্ষণ নিৰূপণ সম্পর্কত ভিন ভিন আলঙ্কাৰিকৰ মতসমূহো পাব। বিশ্বনাথ কবিৰাজে তেওঁৰ পূৰ্ব্বৰ আচার্য্যসকলৰ মতৰ সূক্ষ্ম বিশ্লেষণ কৰিছে আৰু ***লক্ষণবাক্য***ত ব্যৱহাৰ কৰা প্রত্যেকটো শব্দৰ উপযোগীতাও বিচাৰ কৰিছে। আচার্য্য মম্মট ভট্টই ব্যৱহাৰ কৰা 'অদোষৌ', 'সগুনৌ', 'অলঙ্কৃতী' আদি পদবোৰৰ বিষয়ে বিশ্বনাথ কবিৰাজে সূক্ষ্ম বিশ্লেষণ আগবঢ়াইছে। এই অধ্যায়টিত আপুনি গ্রন্থৰ অনুৰন্ধ চাৰিটাৰ কথাও জানিব পাৰিব। কাব্য অধ্যয়নৰ যি ফল, **সাহিত্যদর্পণ** অধ্যয়নৰো সেই একেটা ফল। এতেকে সেইটোৱেই **সাহিত্যদর্পণ** গ্রন্থখনৰ প্রয়োজন। কাব্যৰ লক্ষণ, তাৰ দোষ, গুণ, ***ৰীতি***, অলঙ্কাৰ আদিয়েই **সাহিত্যদর্পণ**ত আলোচনা কৰিবলগীয়া বিষয়। বিষয় আৰু প্রয়োজনৰ মাজত থকা সম্বন্ধই হৈছে গ্রন্থখনৰ সম্বন্ধ। **সাহিত্যদর্পণ** অধ্যয়ন কৰোঁতাজনেই হৈছে অধিকাৰী। এইদৰে আলোচ্য অধ্যায়টিত আপুনি **সাহিত্যদর্পণ**ৰ প্রথম পৰিচ্ছেদত থকা ***অনুবন্ধ চতুষ্টয়***ৰ (চাৰিটা অনুবন্ধ) কথাও বিস্তৃতভাৱে জানিব পাৰিব।

সাহিত্যদর্পনৰ প্রথম পৰিচ্ছেদত কাব্যৰ আলোচনাই বিশেষভাৱে ঠাই পাইছে। কাব্যৰ অধ্যয়নৰ পৰা লাভ কৰা সুফলৰ কথাও ইয়াত আলোচনা কৰা হৈছে। ***চতুর্বর্গ*** ফল লাভ কাব্য অধ্যয়নৰ পৰা হয়। **সাহিত্যদর্পণ**ৰ আলোচ্য বিষয় ***কাৰিকা*** আৰু ***বৃত্তি***ৰ সহায়ত বিশ্বনাথে ব্যাখ্যা কৰিছে। কাব্য অধ্যয়নৰ প্রয়োজনৰ বিষয়েও এই অধ্যায়টিত আলোচনা আগবঢ়োৱা হৈছে।

বিশ্বনাথ কবিৰাজে কাব্যৰ লক্ষণ আগবঢ়োৱাৰ আগতে তেওঁ তেওঁৰ আগৰ আলঙ্কাৰিকসকলৰ মত খণ্ডন কৰিছে। প্রথমতে তেওঁ মম্মটৰ মত পৰিহাৰ কৰিছে। কাৰণ, তাত ***অব্যাপ্তি দোষ*** আছে। তাৰ পিছত তেওঁ কুন্তকৰ মতো খণ্ডন কৰিছে। তেনেদৰে বিশ্বনাথে ভোজৰ মতকো পৰিহাৰ কৰি আনন্দবর্দ্ধনৰ ধ্বনিবাদ সমর্থন কৰিছে আৰু ৰসকেই কাব্যৰ আত্মা বুলি কৈছে। বিশ্বনাথ কবিৰাজে বামণৰ মতকো মানি লোৱা নাই। কাৰণ, তেওঁৰ মতে ৰীতি কাব্যৰ আত্মা হ'ব নোৱাৰে। এই সকলোবোৰ বিষয় এই অধ্যায়টিত অধ্যয়ণ কৰিব পাৰিব।



জানি থোৱা ভাল

মম্মট ভট্ট এজন বিখ্যাত আলঙ্কাৰিক। তেওঁৰদ্বাৰা ৰচিত **কাব্যপ্রকাশ** অলঙ্কাৰশাস্ত্রৰ এখন প্রসিদ্ধ গ্রন্থ। কুন্তক আন এজন প্রসিদ্ধ আলঙ্কাৰিক। তেওঁৰদ্বাৰা লিখিত '**বক্রোক্তিজীৱিতম্**' এখন বিখ্যাত গ্রন্থ। আনন্দবর্দ্ধন



লক্ষণবাক্য ঃ কোনো এটা বিষয়ৰ লক্ষণ যিটো বাক্যৰ দ্বাৰা দিয়া হয় তাকেই লক্ষণ বাক্য বোলে।

ৰীতি ঃকাব্যত য'ত যেনেকুৱা শব্দ ব্যৱহাৰ কৰিব লাগে তেনেকুৱা শব্দৰ প্রয়োগকেই ৰীতি বোলা হয়।

অনুবন্ধ চতুষ্টয় ঃপ্রয়োজন বিষয়, অধিকাৰী আৰু সম্বন্ধ এই চাৰিটাক অনুবন্ধ চতুষ্টয় বুলি কোৱা হয়।

চতুর্বর্গ ঃ চতুঃবর্গ ঃ চতুর্বর্গ ঃচতুঃ শব্দই চাৰিক বুজাইছে। বর্গ শব্দই গোট বুজাইছে। চাৰিটা বিষয়ৰ গোটক চতুবর্গ বোলা হৈছে। সেই চাৰিটা বিষয় হৈছে— ধর্ম, অর্থ, কাম আৰু মোক্ষ।

কাৰিকা ঃ কোনো বিষয়বস্তু অলপ বর্ণ বিশিষ্ট শ্লোকত প্রকাশ কৰিলে সেই শ্লোকটিক কাৰিকা বোলা হয়।

বৃত্তি ঃ কোনো এটা বিষয়ৰ অর্থ প্রকাশ কৰিবলৈ ৰচনা কৰা ব্যাখ্যামূলক পদৰাশিক বৃত্তি বোলা হয়। বৃত্তিবোৰ গদ্যত ৰচিত।

অব্যাপ্তি দোষ ঃ যেতিয়া কোনো লক্ষণ বা সুত্রই লক্ষ্য বিষয়টোৰ সকলো কথা সামৰিব নোৱাৰে তেতিয়া তাক অব্যাপ্তি দোষ বুলি কোৱা হয়।

আন এজন আলঙ্কাৰিক। তেওঁ **ধ্বন্যালোক** নামৰ গ্ৰন্থ প্ৰণয়ন কৰি গৈছে। তেওঁ ধ্বনি তত্ত্বৰ (ব্যাঙ্গ্যার্থ) বিশদ ব্যাখ্যা কৰিছে। আনন্দবৰ্দ্ধনৰ আৱিৰ্ভাৱ খৃষ্টাব্দ নৱম শতিকাত হৈছিল বুলি কোৱা হয়। বামন আন এজন প্ৰসিদ্ধ আলঙ্কাৰিক। অলঙ্কাৰশাস্ত্ৰত ভামহৰ পিছতেই বামনৰ স্থান বুলি কোৱা হৈছে। তেওঁ '**কাব্যালঙ্কাৰ সূত্ৰবৃত্তি**' নামেৰে এখন গ্ৰন্থ ৰচনা কৰি গৈছে। কাব্যত শব্দ আৰু অর্থৰ ৰূপ যিয়ে মনোহৰ কৰি তোলে তাকেই অলঙ্কাৰ বোলা হয়। অলঙ্কাৰে কাব্যৰ ৰস আদিক সুন্দৰ ৰূপত ফুটাই তোলাত সহায় কৰে। কাব্যৰ অলঙ্কাৰক লৈ যিসকলে অধ্যয়ন আৰু চিন্তা-চৰ্চ্চা কৰে সেইসকলক মূলতঃ আলঙ্কাৰিক বুলি কলেও বহল অর্থত আলঙ্কাৰিক পদটোৱে কাব্যৰ ৰীতি-নীতি, দোষ-গুণ, ৰস, ধ্বনি আদিৰ বিষয়ে আলোচনা আগবঢ়োৱা পণ্ডিতক বুজায়। এই অর্থত বিশ্বনাথ কবিৰাজ সচাকৈয়ে এজন আলঙ্কাৰিক। তেওঁৰ 'সাহিত্যদর্পণ' সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ এখন মূল্যৱান গ্ৰন্থ। '**সাহিত্যদর্পণ**' গ্ৰন্থৰ অধ্যায়বোৰক পৰিচ্ছেদ বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ চতুর্বর্গ বুলিলে কি বুজায়?

.....

প্ৰশ্ন নং ২ ঃ মম্মটে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ৩ ঃ বক্রোক্তিজীৱিতৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৪ ঃ ধ্বনিতত্ত্বৰ আলোচনা কোনে কৰিছে?

.....

প্ৰশ্ন নং ৫ ঃ সাহিত্য দর্পনৰ অধ্যায়বোৰৰ নাম কি?

.....

৩.৩ সাহিত্যদর্পণৰ প্ৰথম পৰিচ্ছেদত থকা কাব্য অধ্যয়নৰ ফল (মূল সংস্কৃত পাঠ)

অস্য গ্ৰন্থস্য কাব্যাঙ্গতয়া (কাব্য অঙ্গতয়া) কাব্যফলৈৰেৱ (কাব্যফলৈঃ এব) ফলত্বমিতি (ফলত্বম্ ইতি) কাব্যফলানি আহ—

চতুবর্গফলপ্রাপ্তিঃ সুখাদল্পধিয়ামপি (সুখাৎ অল্পধিয়াম্ অপি)।
কাব্যাদেৱ (কাব্যাৎ এব) যতস্তেন (যতঃতেন) তৎস্বৰূপং নিৰূপ্যতে।।

চতুবর্গফলপ্রাপ্তিঃ হি কাব্যতঃ 'ৰামাদিবৎ প্ৰৱর্ত্তিতব্যং ন ৰাৱণাদিবৎ' ইত্যাদি কৃত্যাকৃত্য

প্রবৃত্তিনিবৃত্ত্যুপদেশদ্বাৰেণ (কৃত্য - অকৃত্য-প্রবৃত্তি - নিবৃত্তি - উপদেশদ্বাৰেণ) সুপ্রতীতা এৰ। উক্তং চ (ভামহেন)

ধর্মার্থকামমোক্ষেষু (ধর্ম - অর্থ - কাম - মোক্ষেষু) ৱৈচক্ষণ্যং কলাসু চ।

কৰোতি কীর্ত্তিং প্রীতিং চ সাধুকাব্যনিষেৱণম্। ইতি। কিঞ্চ (কিং চ) কাৱাৎ ধর্মপ্রাপ্তিঃ ভগৱন্নাৰায়ণচৰণাৰবিন্দস্তৱাদিনা (চৰণ-অৰৱিন্দ-স্তৱ-আদিনা), 'একঃ শব্দঃ সুপ্রযুক্তঃ সম্যক্ জ্ঞাতঃ স্বর্গে লোকে কামধুক্ ভৱতি' ইত্যাদিৱেদৱাক্যেভ্যশ্চ (ইতি - আদি ৱেদৱাক্যেভ্যঃ চ) সুপ্রসিদ্ধৈৰ (সুপ্রসিদ্ধা এৰ)। অর্থপ্রাপ্তিঃ চ প্রত্যক্ষসিদ্ধা। কামপ্রাপ্তিঃ চ অর্থদ্বাৰা এৰ। মোক্ষপ্রাপ্তিঃ চ এতজ্জন্যধর্মফলানুসন্ধানাৎ (এতৎ - জন্য - ধর্মফল - অনুসন্ধানাৎ), মোক্ষোপ-যোগিৱাক্যে (মোক্ষ - উপযোগি-ৱাক্যে) ব্যুৎপত্ত্যাধায়কত্বাচ্চ (ব্যুৎপত্তি -আধায়কত্বাৎ চ)।

চতুৱর্গপ্রাপ্তিঃ হি ৱেদশাস্ত্রেভ্যঃ নীৱসতয়া দুঃখাদেৱ (দুঃখাৎ এৰ) পৰিণতবুদ্ধীনাম্ এৰ জায়তে। পৰমানন্দসংদোহজনকতয়া সুখাদেৱ (সুখাৎ এৰ) সুকুমাৰবুদ্ধীনামপি (সুকুমাৰবুদ্ধীনাম্ অপি) পুনঃ কাব্যাদেৱ (কাব্যাৎ এৰ)।

৩.৩.১ কাব্য অধ্যয়নৰ ফল (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

সাহিত্যদর্পণ কাব্যৱেই অঙ্গঁস্ৱৰূপ। সেই কাৰণেই কাব্য অধ্যয়ন কৰিলে যি ফল পোৱা যায় **সাহিত্যদর্পণ** অধ্যয়ন কৰিলেও সেই একেটা ফলকেই পোৱা যায়। কাব্য অধ্যয়নৰ ফলৰ বিষয়ে কোৱা হৈছে— চতুর্ৱর্গৰ (ধর্ম্ম, অর্থ, কাম আৰু মোক্ষ এই চাৰিটাক চতুর্ৱর্গ বোলা হয়) ফল কাব্যৰপৰা অলপ জ্ঞানীয়েও অনায়াসে লাভ কৰিব পাৰে। ৰামৰ দৰে আচৰণ কৰিব লাগে, ৰাৱণৰ দৰে নহয় এইদৰে সৎ কর্ম্মৰ প্রতি ইচ্ছা আৰু বেয়া কামৰ প্রতি অনিচ্ছাৰ ভাৱ জগাই কাব্যপাঠে চতুর্ৱর্গ ফল লাভ সহজ কৰি তোলে। কোৱা হৈছে ভাল কাব্যৰ অধ্যয়নে ধর্ম, অর্থ, কাম আৰু মোক্ষৰ ইচ্ছা জগাই তোলে; কলাবিদ্যাত পৈনত কৰি তোলে, কীর্ত্তি আৰু যশস্যা বিস্তাৰ কৰে আৰু প্রীতি ওপজায়।

ভগৱান নাৰায়ণৰ চৰণ -স্তুতিৰ দ্বাৰা ধর্ম্মও লাভ হয়। এটা শব্দ ভাল দৰে বুজি তাৰ সুপ্রয়োগ কৰিলে স্বর্গ আৰু মর্ত্ত্যত সকলো কামনা পূৰণ হয়— বেদৰ এনেকুৱা বাক্যৰ যোগেদি ধর্ম্ম সাধনৰ কথা কোৱা হৈছে। কাব্যৰ পৰা ধন লাভ হোৱাও দেখা যায়। অর্থৱদ্বাৰাই কামনা পূৰণ হয়। কাব্যৰ পৰা ওপজা ধর্ম্মৰ ফলৰ প্রতি হেপাহ নাইকীয়া কৰে কাৰণেই মোক্ষ লাভ হয়। নাইবা, মোক্ষৰ বাবে উপযুক্ত বাক্যৰ জ্ঞান হোৱাৰ পৰাও সেইটো সম্ভৱ হয়।

বেদ আদি শাস্ত্র নীৱস। সেইকাৰণে পৰিণত বুদ্ধিৰ লোকে তাৰ অর্থ বুজিব পাৰে। গতিকে তাৰপৰা মোক্ষলাভ কষ্টেৱেহে হয়। কিন্তু কাব্যৰপৰা আনন্দ ওপজে। সেই কাৰণেই কম বুদ্ধিৰ মানুহেও অনায়াসে আনন্দেৰে কাব্য অধ্যয়ন কৰি মোক্ষ লাভ কৰিব পাৰে।

৩.৪ কাব্যৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন (মূল সংস্কৃত পাঠ)

ননু তর্হি পৰিণতবুদ্ধিভিঃ সৎসু ৱেদশাস্ত্রেষু কিম্ ইতি কাব্যে যত্নঃ কৰণীয়ঃ ইত্যপি (ইতি অপি) ন ৱক্তব্যম্। কটুকৌষধোপশমনীয়স্য (কটুক - ঔষধ - উপশমনীয়স্য) ৰোগস্য সিতশর্কৰোপশমনীয়ত্বে (সিতশর্কৰা - উপশমনীয়ত্বে) কস্য বা ৰোগিণঃ সিতশর্কৰাপ্রবৃত্তিঃ ন স্যাৎ?

কিংচ কাব্যস্য উপাদেয়ত্বম্ অগ্নিপুৰাণে অপি উক্তম্—

'নৰত্বং দুর্লভং লোকে বিদ্যা তত্র সুদুর্লভা।
কৱিত্বং দুর্লভংতত্র শক্তিস্তত্র (শক্তিঃ তত্র) সুদুর্লভা।।' ইতি।

'ত্রিৱর্গসাধনং নাট্যম্' ইতি চ। বিষ্ণুপুৰাণে অপি—

'কাব্যালাপাশ্চ (কাব্য-আলাপাঃ চ) কেচিদ্ গীতকান্যখিলানি
(গীতকানি অখিলানি) চ।
শব্দমূর্ত্তিধৰস্যৈতে (শব্দমূর্ত্তিধৰস্য এতে) বিষ্ণোৰংশা
(বিষ্ণোঃ অংশাঃ) মহাত্মনঃ।।' ইতি।

৩.৪.১ কাব্যৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

পিছে, বেদ আদি শাস্ত্র থকাত কাব্যৰ প্রতি জ্ঞানী মানুহৰ আগ্রহ জন্মিব নে নাই সেইটো আশঙ্কা কৰিব নালাগে। কাৰণ, তিতা ঔষধ খোৱাত ভাল হোৱা বেমাৰ চেনি খাই ভাল হ'লে, কোন বেমাৰিয়ে নো চেনি নাখাব? অগ্নিপুৰাণত কাব্যৰ উপযোগিতাৰ কথা কোৱা হৈছে—

সংসাৰত মানুহৰ জন্ম দুর্লভ (পাবলৈ বৰ টান), বিদ্যা অর্জ্জন তাতোকৈ কঠিন, কৱি হোৱাটো তাতোকৈ টান আৰু কৱিত্বশক্তি লাভ আটাইতকৈ টান। 'নাটকে ত্রিবর্গৰ (ধর্ম, অর্থ আৰু কাম এই তিনিটাৰ সমষ্টিক ত্রিবর্গ বোলে) সাধন কৰে।' বিষ্ণুপুৰাণত কোৱা হৈছে 'কাব্য আৰু সকলো গীত —এই আটাইবোৰ শব্দৰূপ মূর্ত্তি ধাৰণকাৰী ভগৱান বিষ্ণুৰ অংশ'।

৩.৫ মম্মটৰ কাব্যলক্ষণ আৰু তাৰ খণ্ডন (মুল সংস্কৃত পাঠ)

তৎ কিং স্বৰূপং তাৱৎ কাব্যম্ ইতি অপেক্ষায়াম্ কশ্চিদাহ (কঃচিৎ আহ) - "তদদোষৌ - (তৎ অদোষৌ) শব্দার্থৌ সগুণাৱনলংকৃতী (সগুণৌ - অনলংকৃতী) পুনঃ ক্বাপি (ক্ব অপি)'। ইতি। এতচ্চিন্ত্যম্ (এতৎ চিন্ত্যম্)।

তথা হি দোষৰহিতস্যৈৱ (দোষৰহিতস্য এব) কাব্যত্বাঙ্গীকাৰস্তদা (কাব্যত্ব - অঙ্গীকাৰঃ তদা)—

'ন্যক্কাৰো হ্যয়মেব (হি অয়ম্ এব) মে যদৰয়স্তত্রাহপ্যসৌ (যৎ - অৰয়ঃ তত্র অপি অসৌ) তাপসঃ,

সোহপ্যত্রৈৰ (সঃ অপি অত্র এৰ) নিহন্তি ৰাক্ষসকুলং জীৱত্যহো (জীৱতি অহো) ৰাৱণঃ।

ধিগ্‌ধিচ্ছক্রজিতং (ধিক্ ধিক্ শক্রজিতম্) প্রবোধিতবতা কিং কুম্ভকর্ণেন বা

স্বর্গগ্রামটিকাবিলুণ্ঠনবৃথোচ্ছ্বূনৈঃ কিমেভির্ভূজৈঃ (কিম্ এভিঃ ভুজৈঃ)।।' ইতি।

অস্য শ্লোকস্য বিধেয়াবিমর্শদোষদুষ্টতয়া (বিধেয় - অবিমর্শ দোষ দুষ্টতয়া) কাব্যত্বং ন স্যাৎ। প্রত্যুতধ্বনিত্বেন উত্তমকাব্যতা অস্য অঙ্গীকৃতা, তস্মাৎ অব্যাপ্তিঃ লক্ষণদোষঃ।

ননু কঃ চিৎ অংশঃ অত্র দুষ্টঃ ন পুনঃ সর্বঃ অপি ইতি চেৎ, তর্হি যত্র অংশে দোষঃ স অকাব্যত্বপ্রয়োজকঃ, যত্র ধ্বনিঃ স উত্তমকাব্যত্বপ্রয়োজক ইতি অংশাভ্যাম্ উভয়তঃ আকৃষ্যমাণম্ ইদং কাব্যম্ অকাব্যম্ বা কিম্ অপি ন স্যাৎ। ন চ কংচিৎ এৰ অংশং কাব্যস্য দূষয়ন্তঃ শ্রুতিদুষ্টাদয়ঃ দোষাঃ, কিং তর্হি সর্বম্ এব কাব্যম্। তথা হি কাব্যাত্মভূতস্য (কাব্য-আত্মভূতস্য) ৰসস্য অনপকর্ষত্বে তেষাং দোষত্বম্ অপিন অঙ্গীক্রিয়তে। অন্যথা নিত্যদোষানিত্যদোষত্বব্যৱস্থাহপি (নিত্যদোষ - অনিত্যদোষত্বব্যৱস্থা অপি) ন স্যাৎ। যদুক্তং (যৎ উক্তম্) ধ্বনিকৃতা -

'শ্রুতিদুষ্টাদয়ো (শ্রুতিদুষ্টাদয়ঃ) দোষা (দোষাঃ) অনিত্যা (অনিত্যাঃ) যে চ দর্শিতাঃ।

ধ্বন্যাত্মন্যেৰ (ধ্বনি- আত্মনিএৰ) শৃঙ্গাৰে তে হেয়া (হেয়াঃ) ইত্যুদাহৃতা (ইতি উদাহৃতাঃ)।।' ইতি।

কিংচ এৱং কাব্যং প্রৱিৰলবিষয়ং নির্বিষয়ং বা স্যাৎ, সর্বথা নির্দোষস্য একান্তম্ অসম্ভৱাৎ।

ননু ঈষদর্থে নঞঃ প্রয়োগঃ ইতি চেৎ তর্হি, 'ঈষৎ দোষৌ শব্দার্থৌ কাব্যম্' ইত্যুক্তে (ইতি উক্তে) নির্দোষয়োঃ কাব্যত্বং ন স্যাৎ। সতি সম্ভৱে 'ঈষৎ দোষৌ' ইতি চেৎ, এতৎ অপি কাব্যলক্ষণে ন বাচ্যম্, ৰত্নাদি (ৰত্ন-আদি) লক্ষণে কীটানুৱেধাদিপৰিহাৰৱৎ (কীট - অনুৱেধ - আদি পৰিহাৰৱৎ)। নহি কীটানুবেধাদয়ঃ ৰত্নস্য ৰত্নত্বং ব্যাহন্তুম্ (বি-আহন্তুম্) ঈশাঃ কিন্তু উপাদেয়তাৰতম্যম্ এৱ কর্তুম্। তদ্বদত্র (তৎবৎ অত্র) শ্রুতিদুষ্টাদয়ঃ (শ্রুতিদুষ্ট-আদয়ঃ) কাব্যস্য উক্তং চ—

'কীটানুবিদ্ধৰত্নাদিসাধাৰণ্যেন (কীট-অনুবিদ্ধৰত্ন - আদি - সাধাৰণ্যেন) কাব্যতা।

দুষ্টেষ্বপি (দুষ্টেষু অপি) মতা যত্র ৰসাদ্যনুগমঃ (ৰস আদি অনুগমঃ) স্ফুটঃ।।' ইতি।

কিংচ শব্দার্থয়োঃ (শব্দ-অর্থয়োঃ) সগুণত্ববিশেষনম্ উপপন্নম্। গুণানাং ৰসৈকধর্মত্বস্য 'যে ৰসস্য অঙ্গিনো ধর্মাঃ শৌর্যাদয়ঃ ইৱাত্মনঃ (ইব আত্মনঃ)' ইত্যাদিনা তেনৈৱ (তেন এব) প্রতিপাদিতত্বাৎ।

'ৰসাভিব্যঞ্জকত্বেনোপচাৰত' (ৰস-অভিব্যঞ্জকত্বেন উপচাৰত) উপপাদ্যতে ইতি চেৎ। তথা অপি উক্তম্ তথা হি - তয়োঃ কাব্যস্বৰূপেণ অভিতয়োঃ শব্দার্থয়োঃ ৰসঃ অস্তি, ন বা। নাস্তি চেৎ, গুণৰত্বম্ অপি নাস্তি, গুণানাং তদন্বয়ব্যতিৰেকানুবিধায়িত্বাৎ (তৎ - অন্বয়ব্যতিৰেক অনুবিধায়িত্বাৎ)। অস্তি চেৎ, কথং ন উক্তং ৰসৱন্তৌ ইতি বিশেষণম্। গুণবত্বান্যথানুপ পত্ত্যৈতল্লভ্যত (গুণৰত্ব - অন্যথা - অনুপপত্তি এতৎ লভ্যতে) ইতি চেৎ। তর্হি সৰসৌ ইতিএৱ ৰক্তুং যুক্তম্, ন

সগুণৌ ইতি। নহি প্রাণিমন্তো দেশাঃ ইতি কেন অপি উচ্যতে। ননু, 'শব্দার্থৌ সগুনৌ' ইতি অনেন গুণাভিব্যঞ্জকৌ শব্দার্থৌ কাব্যে প্রযোজ্যৌ ইতি অভিপ্রায়ঃ ইতি চেৎ। ন, গুণাভিব্যঞ্জকশব্দার্থৰত্বস্য কাব্যে উৎকর্ষমাত্রাধায়কত্বম্, ন তু স্বৰূপাধায়কত্বম্। উক্তং হি - 'কাব্যস্য শব্দার্থৌ (শব্দ-অর্থৌ) শৰীৰম্, ৰসাদিশ্চাত্মা (ৰস - আদিঃ চ আত্মা) গুণাঃ শৌর্যাদিৱৎ (শৌর্য - আদিৱৎ) দোষাঃ কাণত্বাদিৱৎ (কাণত্ব- আদিৱৎ) ৰীতয়োহ ৱয়ৱসংস্থানবিশেষৱৎ (ৰীতয়ঃ অৱয়ৱ সংস্থান বিশেষৱৎ) অলঙ্কাৰাঃ কটককুণ্ডলাদিৱৎ (কুণ্ডল - আদিৱৎ)' ইতি।

এতেন 'অনলংকৃতী পুনঃ ক্বাপি' (ক্ব অপি) ইতি যৎ উক্তম্, তৎ অপি পৰাস্তম্। অস্যার্থঃ (অস্য অর্থঃ) - সর্বত্র সালঙ্কাৰৌ (স-অলঙ্কাৰৌ) ক্বচিত্ত্বস্ফুটালঙ্কাৰাৱপি (ক্বচিৎ তু অস্ফুট-অলঙ্কাৰৌ অপি) শব্দার্থৌ (শব্দ-অর্থৌ) কাব্যম্ ইতি। তত্র সালঙ্কাৰশব্দার্থয়োঃ অপি কাব্যে উৎকর্ষমাত্রাধায়কত্বাৎ। এতেন—

'অদোষং গুণৱৎকাব্যমলঙ্কাৰৈৰলঙ্কৃতম্ (গুণৱৎকাব্যম্ অলঙ্কাৰৈঃ অলঙ্কৃতম্)।
ৰসান্বিতং (ৰস-অন্বিতম্) কৱিঃ কুর্বন্ কীর্তিং প্রীতিং চ বিন্দতি।।'
ইত্যাদীনাম্ অপি কাব্যলক্ষণত্বম্ অপাস্তম্।

৩.৫.১ মম্মটৰ কাব্য লক্ষণ আৰু তাৰ খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

কাব্যৰ স্বৰূপনো কেনেকুৱা সেই বিষয়ে মম্মটভট্টই কৈছে— 'দোষ নথকা, গুণযুক্ত আৰু মাজে মাজে অলঙ্কাৰ থকা শব্দ আৰু অর্থক কাব্য বোলা হয়। এই লক্ষণটো চিন্তা কৰিবলগীয়া বিষয়। দোষহীন শব্দ আৰু অর্থকেই যদি কাব্য বুলি ক'ব লাগে, তেন্তে 'শত্রু থকাটোৱেই মোৰ কাৰণে ধিক, তাতে আকৌ সেই শত্রু তপস্বী, সি আকৌ লঙ্কাত থাকিয়েই ৰাক্ষসৰ বংশ ধ্বংস কৰিবলৈ ধৰিছে। হয়, তথাপিতো ৰাৱণ জীৱিত আছে, ইন্দ্রজিতক ধিক্কাৰ, কুম্ভকর্ণ জাগি উঠিয়েই বা কৰিলে কি! ক্ষুদ্র গাঁও এখনৰ দৰে মিছাতে স্বর্গৰাজ্য জয় কৰা এই হাতবোৰোৱেই বা কি প্রয়োজন' ইয়াত ***বিধেয়াবিমর্শ*** দোষ ঘটা কাৰণে শ্লোকফাঁকি কাব্য বুলি ধৰা নহ'লহেঁতেন, কিন্তু ***ধ্বনি*** থকাৰ কাৰণে এই শ্লোকটো উত্তম কাব্য বুলি গ্রহণ কৰা হৈছে। সেইকাৰণেই কাব্যৰ উক্ত লক্ষণফাঁকিত অব্যাপ্তি দোষ ঘটিছে (লক্ষণে লক্ষ্য কৰিবলগীয়া বিষয়ক সম্পূর্ণভাৱে সামৰি ল'ব নোৱাৰিলে তাক অব্যাপ্তি দোষ বোলা হয়।)



বিধেয়াবিমর্শ ঃ প্রধান বিষয়টো অপ্রধানভাৱে উল্লেখ হ'লে তাক বিধেয়াবিমর্শ দোষ বোলা হয়।

ধ্বনি ঃ যদি ক'বলগীয়া অর্থক অতিক্রম কৰি তাতোকৈ বেছি সুন্দৰ অর্থ বুজোৱা ব্যঙ্গ্য অর্থ প্রতীয়মান হয় তেতিয়া তাকেই ধ্বনি বোলা হয়।

পিছে, এই শ্লোকত কোনো এটা অংশহে দোষযুক্ত, গোটেইটো দোষযুক্ত নহয় বুলি ক'লে দোষযুক্ত অংশখিনি কাব্য নহ'ব আৰু ধ্বনি থকা অংশখিনি উত্তম কাব্য বুলি গণ্য হ'ব। তেতিয়া হ'লে দুটা অংশই দুইফালে টনা-টনি কৰাত সেইটো কাব্য বা অকাব্য একোৱেই নহ'ব। কাব্যৰ এটা অংশ দোষযুক্ত হ'লে তাৰ বাবে শ্রুতিদুষ্ট দোষ বুলি কোৱা নহয়; গোটেই কাব্যক দোষিত কৰিলেহে দোষ বুলি কোৱা হয়। সেই কাৰণেই কাব্যৰ আত্মাৰূপী ৰসৰ হানি নহ'লে তাক দোষ বুলি কোৱা নহয়। সেইটো নহলে নিত্য

দোষ আৰু অনিত্যদোষৰ মাজত পার্থক্যও নাথাকিব। (যিবোৰ সকলো অৱস্থাত দোষ হিচাপে স্বীকৃত হয় সেইবোৰক নিত্যদোষ বুলি কোৱা হয়। যিবোৰ দোষে কাব্যৰসৰ কোনো উপকাৰ সাধন নকৰে আকৌ আনবিধ ৰসৰ ক্ষেত্ৰত উৎকর্ষ সাধন কৰে তেনেকুৱা দোষক অনিত্যদোষ বোলে। শ্ৰুতিকটু আদি অনিত্যদোষ।)

ধ্বনিকাৰৰ (আনন্দবৰ্দ্ধনক ধ্বনিকাৰ বোলা হয়) দ্বাৰা কোৱা হৈছে— শ্ৰুতিদুষ্ট (শুনিবলৈ বেয়া লাগে এনেকুৱা) আদি দোষক অনিত্য বুলি কোৱা হৈছে। সেইবোৰ শ্ৰুতিদুষ্টদোষ ধ্বনিযুক্ত শৃঙ্গাৰৰসতহে পৰিত্যাগ কৰিব লাগে। সকলো বিষয়ত নির্দোষ এনেকুৱা হোৱাটো অসম্ভৱ। সেই কাৰণেই 'অদোষৌ' বুলি ক'ব নোৱাৰি।

যদি 'অদোষৌ' শব্দত নঞ্ অব্যয় ঈষৎ (সামান্য) অর্থত প্রযুক্ত হৈছে বোলা হয়, তেন্তে অলপ দোষ থকা শব্দার্থক কাব্য বুলি ক'ব লাগিব। তেতিয়া দোষ নথকা শব্দার্থ কাব্য হ'ব নোৱাৰে। (এইটো কোনো প্রকাৰে সম্ভৱপৰ নহয়)।

কোনো কোনো ঠাইত অলপ দোষ থকা শব্দার্থ কাব্য এই বুলি পূর্বতে কাব্যৰ লক্ষণত কোৱা কথাটোও উচিত নহয়। উৎকৃষ্ট ৰত্নৰ পৰীক্ষাৰ সময়ত পৰুৱাই বিন্ধা আদি, বিশেষণ ত্যাগ কৰাৰ দৰে কাব্যৰ লক্ষণবাক্যত 'অদোষৌ' বিশেষণৰ ব্যৱহাৰ যুক্তিযুক্ত নহয়। পৰুৱাই বিন্ধিলেই ৰত্নৰ হানি নঘটে; কিন্তু উৎকর্ষৰ তাৰতম্য ঘটে। তেনেদৰে শ্ৰুতিদুষ্টদোষে কাব্যৰ হানি নকৰে। তেনে দোষে কাব্যৰ শ্ৰেষ্ঠত্বৰ তাৰতম্য ঘটায়। উক্ত হৈছে— দোষযুক্ত হ'লেও য'ত ৰসৰ স্পষ্ট অনুভৱ হয়, তাত কীটে বিন্ধা ৰত্নক ৰত্ন কোৱাৰ দৰে, অলপ দোষ থকা কাব্যকো কাব্য বুলি কোৱা হয়।

তদুপৰি 'গুণযুক্ত' এই বিশেষণটোও শব্দার্থৰ বেলিকা যুক্তি সঙ্গত নহয়। কাৰণ, গুণ ৰসৰহে ধর্ম। শৌর্য্য আদি যিদৰে আত্মাৰ ধর্ম, তেনেদৰে গুণবোৰো ৰসৰহে ধর্ম বুলি কোৱা হৈছে।

শব্দ আৰু অর্থই ৰস প্রকাশ কৰে। সেই কাৰণেই লাক্ষণিকভাৱে গুণবোৰ শব্দার্থৰ ধর্ম বুলি পৰিগণিত হব পাৰে। এইদৰে কোৱাটোও যুক্তিসঙ্গত নহয়। কাৰণ, কাব্য হিচাপে গ্রহণ কৰা শব্দার্থত ৰস নাথাকিলে তাত গুণো থাকিব নোৱাৰে। কাৰণ, ৰসতহে গুণ থাকে। গতিকে ৰস থাকিলে গুণ থাকিব লাগিব আৰু ৰস নাথাকিলে গুণো থাকিব নোৱাৰিব। শব্দ আৰু অর্থত ৰস আছে বুলি ক'লে 'সৰস' (ৰসযুক্ত) এই বিশেষণটো কাব্যৰ লক্ষণত ক'ব লাগিছিল। গুণৰত্ব বিশেষণটো সগুণ এই বিশেষণৰ আন প্রকাৰে সঙ্গতি নহয় কাৰণেই শব্দার্থ সৰস হ'ব লাগিব এইদৰে ক'ব খুজিলে 'সগুণ' শব্দার্থ বুলি নকৈ 'সৰস শব্দার্থ' বুলিহে ক'ব লাগিছিল। প্রাণী থকা দেশক কোনোৱে শৌর্যযুক্ত দেশ বুলি নোকোৱাৰ দৰে ইয়াতো 'সৰস শব্দার্থ' বুলি ক'ব লগা ঠাইত 'সগুণ শব্দার্থ' বুলি কোৱা ঠিক হোৱা নাই। 'গুণযুক্ত শব্দার্থ' এনেকুৱা অভিপ্রায় প্রকাশিত হোৱা বুলিও ক'ব নোৱাৰি। কাৰণ, শব্দার্থৰ গুণ প্রকাশে কাব্যৰ উৎকর্ষতাহে সাধন কৰে, সেইটো কেতিয়াও কাব্যৰ স্বৰূপ হ'ব নোৱাৰে।

এইটো কোৱা হৈছে— "শব্দার্থ কাব্যৰ শৰীৰ, ৰস আদি আত্মা, গুণসমূহ শৌর্য আদিৰ দৰে, দোষবোৰ দৃষ্টিশক্তিহীনতা আদিৰ দৰে, ৰীতিসমূহ শৰীৰৰ অৱয়ৱসংস্থানৰ নিচিনা আৰু অলঙ্কাৰবোৰ কেয়ূৰ, কুণ্ডল আদিৰ দৰে।" এইদৰে এই কথাফাঁকিৰে 'কোনো কোনো ঠাইত অলঙ্কাৰ নথকা' কথাষাৰ পৰিত্যাগ কৰিবলগীয়া বুলি গ্রহণ কৰিব লাগিব। অলঙ্কাৰ থকা শব্দার্থই কাব্যৰ উৎকর্ষ সাধন কৰে। এইটো কেতিয়াও কাব্যৰ লক্ষণ হিচাপে বিৰেচিত হ'ব নোৱাৰে।

৩.৬ বক্রোক্তিজীৱিতকাৰৰ অভিমত খণ্ডন (মূল সংস্কৃত পাঠ)

এতেন 'বক্রোক্তিঃ কাব্যজীৱিতম্' ইতি বক্রোক্তিজীৱিতকাৰোক্তম্ (বক্রোক্তি জীবিতকাৰ উক্তম্) অপি পৰাস্তম্। বক্রোক্তেৰলঙ্কাৰৰূপত্বাৎ (বক্রোক্তেঃ অলঙ্কাৰৰূপত্বাৎ) যচ্চ (যৎচ) ক্বচিৎ অস্ফুটালঙ্কাৰত্বে উদাহৃতম্—

যঃ কৌমাৰহৰঃ স এৱ হি ৰৱস্তা (ৰৱঃতা) এব ক্ষেত্রক্ষপা
স্তে চোন্মিলিতমালতীসুৰভয়ঃ (চ উন্মিলিতমালতীসুৰভয়ঃ) প্রৌঢ়াঃ কদম্বানিলাঃ।
সা চৈবাস্মি (চ'ত্রৱ অস্মি) তথাপি তত্র সুৰতব্যাপাৰলীলাবিধৌ
ৰেৱাৰোধসি বেতসীতৰুতলে চেতঃ সমুৎকণ্ঠতে।। ইতি।

এতচ্চিন্ত্যম (এতৎ চিন্ত্যম্)। অত্র হি বিভাৱনাবিশেষোক্তিমূলস্য সন্দেহসঙ্কৰালঙ্কাৰস্য (সন্দেহসঙ্কৰ অলঙ্কাৰস্য) স্ফুটত্বম। এতেন—

'অদোষং গুণবৎ কাব্যমেলঙ্কাৰৈৰলঙ্কৃতম্ (অলঙ্কাৰৈঃ অলঙ্কৃতম্)।
ৰসান্বিতং কৱিঃ কুর্বন্ কীর্তিং প্রীতিং চ বিন্দতি।।'

ইত্যাদীনামপি (ইত্যাদীনাম্ অপি) কাব্যলক্ষণত্বমপাস্তম্ (কাব্যলক্ষণত্বম্ অপাস্তম্)।

৩.৬.১ বক্রোক্তিজীবিতকাৰৰ অভিমত খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

একেদৰেই 'বক্রোক্তিয়েই কাব্যৰ জীৱন' বুলি কোৱা বক্রোক্তি জীৱিতকাৰৰ (কুন্তক) মতো খণ্ডন কৰা হ'ল। কাৰণ, বক্রোক্তিও অলঙ্কাৰ। অস্ফুট অলঙ্কাৰ হিচাপে উদাহৰণ দিয়া—

'বক্রোক্তিজীৱিত'ৰ "যঃ কৌমাৰহৰঃ স এৱ... ... ...সমুৎকণ্ঠতে" এই শ্লোকফাকি চিন্তা কৰিবলগীয়া বিষয়। এই শ্লোকত বিভাৱনা (কাৰণ নোহোৱাকৈ কার্য্যৰ উৎপত্তি হ'লে তাক বিভাৱনা অলঙ্কাৰ বোলা হয়।) আৰু বিশেষোক্তি (কাৰণ থকাতো কার্য্যৰ উৎপত্তি নহ'লে তাক বিশেষোক্তি অলঙ্কাৰ বুলি কোৱা হয়) অলঙ্কাৰৰ সন্দেহ হোৱাত সন্দেহমূলক সঙ্কৰ অলঙ্কাৰ হৈছে (যেতিয়া দুটা অলঙ্কাৰ অঙ্গাঙ্গিভাৱে এটা আনটোৰ আশ্রয়ী হৈ থাকে তেতিয়া তাক সঙ্কৰ অলঙ্কাৰ বোলে)। সেইকাৰণে এইটো অস্ফুট

অলঙ্কাৰৰ উদাহৰণ হ'ব নোৱাৰে।

ইয়াৰদ্বাৰা 'দোষহীন, গুণ আৰু ৰসযুক্ত, অলঙ্কাৰৰদ্বাৰা অলঙ্কৃত কাব্য ৰচনা কৰি কবিয়ে কীর্ত্তি আৰু সন্তোষ লাভ কৰে' কাব্যৰ এই লক্ষণটোও গ্ৰহণযোগ্য হ'ব নোৱাৰে— এইটো প্ৰতিপন্ন হ'ল।

৩.৭ ধ্বনিকাৰৰ মত খণ্ডন (মূল সংস্কৃত পাঠ)

যত্তু ধ্বনিকাৰেণ উক্তম্ - 'কাব্যস্যাত্মা (কাব্যস্য আত্মা) ধ্বনিঃ' - ইতি তৎ কিং বস্ত্বলঙ্কাৰৰসাদিলক্ষণস্ত্রিৰূপো (বস্তু-অলঙ্কাৰ-ৰস আদিঃ লক্ষণঃ ত্রিৰূপঃ) ধ্বনিঃ কাব্যস্য আত্মা, উতঃ ৰসাদিৰূপমাত্রো বা? ন আদ্যঃ - প্ৰহেলিকাদৌ অতিব্যাপ্তেঃ। দ্বিতীয়ঃ চেৎ ওম্ ইতি ব্ৰূমঃ।

ননু যদি ৰসাদিৰূপমাত্রো ধ্বনিঃ কাব্যস্য আত্মা, তদা—

'অত্তা এত্থা নিমউজই, এত্থ অহং, দিঅসঅং পলোএহি।
মা পহিঅ ৰতি অন্ধঅ! সেজ্জাএ মহ নিমজ্জহিসি।।'

ইত্যাদৌ বস্তুমাত্ৰস্য ব্যঙ্গ্যত্বে কথং কাব্যব্যৱহাৰ ইতি চেৎ? ন, অত্ৰাপি (অত্ৰ অপি) ৰসাভাস ৰত্তয়ৈ বেতি (ৰস-আভাসৰৎ-তয়া এৰ ইতি) ব্ৰূমঃ, অন্যথা 'দেৱদত্তো গ্ৰামং যাতি' ইতি ৰাক্যে তদ্ ভৃত্যস্য তদনুসৰণৰূপব্যঙ্গ্যাৰগতেৰপি (তৎ - অনুসৰণৰূপৰ্য্যঙ্গ্য - অৱগতেঃ অপি) কাব্যত্বং স্যাৎ। অস্তু ইতি চেৎ? ন, ৰসৱত এৰ কাব্যত্বাঙ্গীকাৰাৎ (কাব্যত্ব - অঙ্গীকাৰাৎ)।

কাব্যস্য প্ৰয়োজনং হি ৰস আস্বাদসুখপিণ্ডদানদ্বাৰা বেদশাস্ত্ৰবিমুখানাং সুকুমাৰমতীনাং ৰাজপুত্ৰাদীনাং বিনেয়ানাং 'ৰামাদিবৎ প্ৰৱর্ত্তিতব্যং ন ৰাৱণাদিবৎ' ইত্যাদি কৃত্য-অকৃত্য প্ৰবৃত্তি - নিবৃত্তি - উপদেশ ইতি চিৰন্তনৈঃ অপি উক্তত্বাৎ। তথা চ আগ্নেয়পুৰাণে অপি উক্তম্ - 'বাগ্বৈদগ্ধ্যপ্ৰধানেহপি (বাক্ - বৈদগ্ধ প্ৰধানে অপি) ৰস এবাত্ৰ (এৰ অত্ৰ) জীৱিতম্' ইতি।

ব্যক্তিবিৱেককাৰেণ অপি উক্তম্ - 'কাব্যস্য আত্মনি সংজ্ঞিনি, ৰসাদিৰূপে (ৰস-আদিৰূপে) ন কস্যচিদ্বিমতিঃ (কস্যচিৎ বিমতিঃ), ইতি। ধ্বনিকাৰেণ অপি উক্তম্ - 'ন হি কৱেৰিতিবৃত্তমাত্ৰনির্বাহেণাত্মপদলাভঃ' (কৱেঃ ইতিবৃত্তমাত্ৰনির্বাহেণ আত্মপদলাভঃ) ইতিহাসাদেৰেৰ (ইতিহাস - আদেঃ এৰ) তৎসিদ্ধিঃ' ইত্যাদি।

ননু তর্হি প্ৰৱন্ধ-অন্তর্বর্তিনাং কেষাংচিৎ নীৰসানাং পদ্যানাং কাব্যত্বং ন স্যাৎ ইতি চেৎ? ন, ৰসৱৎপদ্য-অন্তর্গত - নীৰসপদানাম্ ইৱ পদ্যৰসেন, প্ৰৱন্ধৰসেন এব তেষাং ৰসৱত্ত - অঙ্গীকাৰাৎ। যৎতুনীৰসেষু অপি গুণ-অভিব্যঞ্জকৱর্ণসদ্ভাৱাৎদোষাভাবাৎ অলঙ্কাৰসদ্ভাৱাৎ চ কাব্যব্যৱহাৰঃ স ৰসাদিমৎকাব্যপ্ৰবন্ধসামান্যাৎ গৌণ এৰ।

৩.৭.১ ধ্বনিকাৰৰ মত খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

ধ্বনিকাৰে (আনন্দবর্দ্ধন) 'কাব্যৰ আত্মা ধ্বনি' বুলি কৈছে। তেন্তে বস্তু, অলঙ্কাৰ আৰু ৰস ধ্বনিৰ ভিতৰত তিনিও বিধেই কাব্যৰ আত্মা নে ৰসধ্বনিহে কাব্যৰ আত্মা এই

বিষয়ত প্রশ্নৰ উদয় হয়। ইয়াৰ ভিতৰত প্রথমটো অর্থাৎ তিনিও বিধ ধ্বনিয়েই কাব্যৰ আত্মা হ'ব নোৱাৰে। কাৰণ, তেতিয়া প্রহেলিকা (সাঁথৰ) আদিকো কাব্য হিচাপে সামৰি লব লাগিব। সেই কাৰণেই অতিব্যাপ্তি (বেছি ব্যাপক অর্থাৎ যিমান সামৰিব লাগিছিল তাতকৈ বেছি সামৰি লোৱা) দোষ ঘটিব।

দ্বিতীয় মত অর্থাৎ ৰস ধ্বনিক যদি কাব্যৰ আত্মা বুলি কোৱা হয়, তেতিয়া হ'লে কেৱল ৰসযুক্ত ধ্বনি থকা কাব্যক কাব্য বুলি স্বীকাৰ কৰিব লাগিব। তেন্তে,

'এই ঠাইত মোৰ শাহুয়েক শুয়ে, আৰু ইয়াত মই টোপনী যাও।

ৰাতি নেদেখা হে প্রেমিক, দিনতেই চাই লোৱা, মোৰ শয্যাত আহি নপৰিবা।'

এই প্রাকৃত শ্লোক ফাঁকিত বিষয় বস্তুৰ ধ্বনি থকাত সেইটো কাব্য হিচাপে স্বীকৃত হ'ব নোৱাৰে। কিন্তু কোৱা হৈছে যে তাত ৰসৰ আভাস থকাতহে কাব্য বুলি স্বীকৃত হৈছে। যদি সেইটো নহয় তেন্তে 'দেৱদত্ত গাঁৱলৈ যায়' বুলি ক'লে তেওঁৰ লগত লগুৱাজনো গৈছে বুলি বুজিব লাগিব। তেনেকুৱা হ'ব নে? নহয়, কাৰণ ৰসযুক্ত বাক্যহে কাব্য বুলি স্বীকাৰ কৰা হয়।

ৰস আস্বাদৰ তৃপ্তিৰে নীতি শিক্ষা দিবলগীয়া বেদশাস্ত্রবিমুখ সুবুদ্ধিযুক্ত ৰাজকুমাৰ আদিক শিক্ষা দিয়াই কাব্যৰ প্রয়োজন বুলি কোৱা হৈছে। সেই সম্পর্কত ৰামৰ দৰে আচৰণ কৰিব লাগে; ৰাৱণৰ দৰে আচৰণ কৰিব নালাগে এইদৰে কৰণীয় কর্ম্মত প্রবৃত্তি আৰু অকৰণীয় কর্ম্মত নিবৃত্তিমূলক উপদেশ দিয়াটোৱেই কাব্যৰ প্রয়োজন বুলি প্রাচীন আলঙ্কাৰিকসকলে কৈছে। অগ্নিপুৰাণতো কোৱা হৈছে— 'বাক্ বিদগ্ধতা কাব্যত প্রধান হলেও, ৰসহে কাব্যৰ জীৱন।' ব্যক্তিবিৱেককাৰেও (মহিমভট্ট) কৈছে— 'ৰস যে কাব্যৰ প্রধান বস্তু তাত কাৰো বিমত নাই'। ধ্বনিকাৰেও কৈছে— 'কেৱল ঘটনাৰ বর্ণনা কৰি কৰিয়ে কৰি বুলি খ্যাতি লাভ কৰিব নোৱাৰে। কাৰণ, ইতিহাস আদিতো ঘটনাৰ বর্ণনা আছে।' কাব্যত ৰস থাকিবই লাগিব বুলি ধৰিলে প্রৱন্ধৰ অন্তর্গত ৰসহীন পদ্য কাব্যৰূপে পৰিগণিত নহব বুলি ক'ব লাগিব। কিন্তু, ৰসযুক্ত এটি পদ্যৰ অন্তর্গত ৰসহীন পদো ৰসাল হৈ পৰাৰ দৰে ৰসাল প্রৱন্ধৰ অন্তর্গত ৰসহীন ৰচনাও ৰসাল হৈ পৰে। ৰসহীন বাক্যতো মাধুর্য্য আদি গুণ প্রকাশ পালে দোষ নাইকীয়া হয় আৰু উপমা আদি অলঙ্কাৰ থকাত কাব্য বুলি গৃহীত হয়। সেইটোৰ ৰসযুক্ত কাব্যৰ লগত সাদৃশ্য থকাৰ কাৰণেই তাক গৌণভাৱে কাব্য বোলা হয়।

৩.৮ বামনৰ অভিমত খণ্ডন (মূল সংস্কৃত পাঠ)

যৎতু ৱামনেন উক্তম্ 'ৰীতিৰাত্মা কাব্যস্য' (ৰীতিঃ আত্মা কাব্যস্য) ইতি তন্ন, ৰীতেঃ সংঘটন - অবিশেষত্বাৎ। সংঘটনায়াঃ চ অৱয়ৱসংস্থানৰূপত্বাৎ, আত্মনঃ চ তৎ ভিন্নত্বাৎ। যৎ চ ধ্বনিকাৰেণ উক্তম্—

‘ অর্থঃ সহৃদয়শ্লাঘ্যঃ কাব্যাত্মা (কাব্য - আত্মা) যো (যঃ) ব্যৱস্থিতঃ।
বাচ্যপ্রতীয়মানাখ্যৌ (বাচ্য - প্রতীয়মান - আখ্যৌ) তস্য ভেদাবুভৌ
(ভেদৌ উভৌ) স্মৃতৌ ।।’ ইতি।
অত্র বাচ্য আত্মত্বং ‘কাব্যস্যাত্মা (কাব্যস্য আত্মা) ধ্বনিঃ’ ইতি স্বৱচনবিৰোধাৎ এব অপাস্তম্।

৩.৮.১ বামনৰ অভিমত খণ্ডন (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

যিটো বামনে কৈছে— ‘ৰীতিয়েই কাব্যৰ আত্মা’ তাকো গ্ৰহণ কৰিব নোৱাৰি। কাৰণ, স্থান অনুসৰি উপযুক্ত শব্দৰ ব্যৱহাৰেই হৈছে ৰীতি। গতিকে, কাব্যৰ ক্ষেত্ৰতো মানুহৰ শৰীৰৰ অঙ্গ যথাযথ সংস্থানৰ দৰেই ৰীতিৰ অৱস্থান। কিন্তু অঙ্গতকৈ আত্মা বেলেগ। সেইকাৰণেই ৰীতি কাব্যৰ আত্মা হ’ব নোৱাৰে। ধ্বনিকাৰেও যিটো কৈছে—

সহৃদয়সকলে প্ৰশংসা কৰা যি অর্থ কাব্যৰ আত্মাৰ ৰূপত বিৰাজিত, তাৰ বাচ্য আৰু প্ৰতীয়মান এই দুটা ভাগ —এই ক্ষেত্ৰত (ধ্বনিকাৰে) বাচ্যার্থকো কাব্যৰ আত্মা বুলি কোৱাত সেইটো তেওঁৰ পূৰ্বকথিত ‘কাব্যৰ আত্মা ধ্বনি’ এই মতৰ বিৰুদ্ধে গৈছে। সেইকাৰণেই বাচ্যার্থ কাব্যৰ আত্মা বোলা কথাষাৰ গ্ৰহণ কৰিব নোৱাৰি।

৩.৯ বিশ্বনাথ কবিৰাজৰ দ্বাৰা কাব্যৰ লক্ষণ নিৰূপণ (মূল সংস্কৃত পাঠ)

তৎকিং পুনঃ কাব্যম্ ইতি উচ্যতে -
ৱাক্যং ৰসাত্মকং (ৰস-আত্মকং) কাব্যম্ -
ৰসস্বৰূপং নিৰূপয়িষ্যামঃ। ৰস এব অত্র সাৰৰূপতয়া জীৱনাধায়কো (জীৱন - আধায়কঃ) যস্য তেন বিনা তস্য কাব্যত্বাভাৱস্য প্রতিপাদিতত্বাৎ। ‘ৰস্যতে ইতি ৰসঃ’ ইতি ব্যুৎপত্তিযোগাৎ ভাৱতদাভাসাদয়োহপি (ভাৱ - তৎ - আভাস - আদয়ঃ অপি) গৃহ্যন্তে। তত্র ৰসঃ যথা—

শূন্যং ৱাসগৃহং ৱিলোক্য শয়নাদুত্থায় (শয়নাৎ উত্থায়) কিঞ্চিচ্ছনৈ (কিঞ্চিৎশনৈঃ)
র্নিদ্রাব্যাজমুপাগতস্য (নিদ্রাব্যাজম্ উপাগতস্য) সুচিৰং নির্বর্ণ্য পত্যুর্মুখম্ (পত্যুঃ মুখম্)।
বিস্রব্ধং পৰিচুম্ব্য জাতপুলকামালোক্য (জাতপুলকাম্ আলোক্য) গণ্ডস্থলীং
লজ্জাৱনম্রমুখী (লজ্জা-অৱনম্রমুখী) প্রিয়েণ হসতা বালা চিৰং চুম্বিতা।।
অত্র হি সম্ভোগশৃঙ্গাৰৰসঃ।
ভাবো যথা মহাপাত্রৰাঘৱানন্দসান্ধিবিগ্রহিকাণাম্ -
‘যস্যালীয়ত শলকসীম্নি জলধিঃ পৃষ্ঠে জগন্মণ্ডলং
দংষ্ট্রায়াং ধৰণী নখে দিতিসুতাধীশঃ পদে ৰোদসী।
ক্রোধে ক্ষত্রগণঃ শৰে দশমুখঃ পাণৌ প্রলম্বাসুৰো
ধ্যানে বিশ্বমসাৱধার্মিককুলং (বিশ্বম্ অসৌ অধার্মিককুলং) কস্মৈচিদস্মৈ নমঃ।।
অত্র ভগবৎবিষয়াৰতিঃ ভাৱঃ।

ৰসাভাসঃ যথা—

'মধু দ্বিৰেফঃ কুসুমৈকপাত্রে পপৌ প্রিয়াং স্বামনুবর্তমানঃ।
শৃঙ্গেন চ স্পর্শনিমীলিতাক্ষীং মৃগীমকণ্ডূয়ত (মৃগীম্ অকণ্ডূয়ত) কৃষ্ণসাৰঃ।।
অত্র সম্ভোগশৃঙ্গাৰস্য তির্যগ্‌বিষয়ত্বাৎ ৰসাভাসঃ। এৱমন্যৎ।

৩.৯.১ বিশ্বনাথ কবিৰাজৰ দ্বাৰা কাব্যৰ লক্ষণ নিৰূপণ (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

তেনেহ'লে কাব্যনো কি সেই বিষয়ে কোৱা হৈছে—

'ৰসাত্মক ৱাক্যই কাব্য।' ৰসৰ স্বৰূপ সাহিত্যদর্পণকাৰে পিছত নিৰূপণ কৰিছে।

ৰসেই সাৰবস্তু হিচাপে কাব্যৰ জীৱন ধাৰক বুলি বিবেচিত আৰু যাৰ অৱিহনে কাব্যক কাব্য বুলি ক'ব নোৱাৰি তেনেকুৱা ৰসকেই কাব্যৰ আত্মা বোলা হয়।

'ৰস্যতে ইতি ৰসঃ' অর্থাৎ ৰস আস্বাদনৰ উপযুক্ত এই ব্যুৎপত্তিৰপৰাই ভাৱ, ৰসৰ আভাস, ভাৱৰ আভাস আদিকো ৰস শব্দই সামৰি লয়। ৰসৰ উদাহৰণ—

"নৱপৰিণীতা নায়িকাই বাসগৃহত কোনো নথকা দেখি শব্দ নকৰাকৈ অলপ উঠি টোপনীৰ ভাও জুৰি শুই থকা পতিৰ মুখলৈ বহুপৰ চাই টোপনী গৈছে এই বুলি বিশ্বাস কৰি চুমা খালে আৰু পিছত গাল ৰোমাঞ্চিত দেখি লাজত তলমুৱা হ'ল। তেতিয়া পতিয়ে (নায়কে) হাঁহি বহুপৰলৈকে নায়িকাক চুমা খাবলৈ ধৰিলে।" উদ্ধৃত শ্লোকফাঁকিত সম্ভোগশৃঙ্গাৰ ৰস প্রকাশ পাইছে। মহাপাত্রৰাঘৱানন্দসান্ধিয়ে দিয়া ভাৱৰ উদাহৰণ—

"যাৰ (ভগৱান নাৰায়ণৰ) বাকলিৰূপ অৱয়বত সমুদ্র লীন গৈছে, যাৰ পিঠিত ভূমণ্ডল লীন গৈছে, যাৰ দাঁতত পৃথিৱী লীন গৈছে, যাৰ নখত দৈত্যৰ অধিপতি (হিৰণ্যকশিপু) লীন গৈছে, যাৰ চৰণত পৃথিৱী আৰু আকাশ লীন গৈছে, যাৰ ক্রোধত ক্ষত্রিয় জাতি লীন গৈছে, যাৰ ৱাণত ৰাৱণ লীন গৈছে, যাৰ হাতত প্রলম্ব নামৰ দৈত্য লীন গৈছে, যাৰ ধ্যানত গোটেই বিশ্ব লয় হৈছে আৰু যাৰ তৰোৱালত অধর্ম্মী লোকৰ লয় হৈছে— এনেকুৱা অনির্ৱচনীয় মহিমাযুক্ত ভগৱান নাৰায়ণক মই প্রণাম কৰিছো। এই শ্লোকত ঈশ্বৰৰ প্রতি ৰতি ভাৱ ব্যক্ত হৈছে। ৰসাভাসৰ উদাহৰণ—

"ভোমোৰাই নিজৰ প্রিয়াক অনুসৰণ কৰি পুষ্পৰূপ একেটা পাত্রতেই ফুলৰ মৌ পান কৰিবলৈ ধৰিলে, ঠিক তেনেদৰে কৃষ্ণসাৰে হৰিণীক স্পর্শ কৰাৰ কাৰণে চকু মুদ খোৱাত শিঙেৰে হৰিণীৰ গা ঘহিবলৈ ধৰিলে।" এই শ্লোকফাঁকিত পশুৰ মাজেৰে সম্ভোগ শৃঙ্গাৰ ৰসৰ ভাৱ প্রকাশ পাইছে। এতেকে ইয়াত ৰসাভাস হৈছে। তেনেদৰে অন্য ৰস আৰু ভাৱৰ উদাহৰণো বুজিব লাগিব।

৩.১০ কাব্যত দোষ আৰু গুণৰ স্বৰূপ (মূল সংস্কৃত পাঠ)

দোষাঃ পুনঃ কাব্যে কিংস্বৰূপাঃ ইতি উচ্যন্তে -

দোষাস্তস্যাপকর্ষকাঃ (দোষাঃ তস্য অপকর্ষকাঃ)।

শ্রুতিদুষ্টাপুষ্টার্থত্বাদয়ঃ কাণত্বখঞ্জত্বাদয়ঃ ইব শব্দার্থদ্বাৰেণ দেহদ্বাৰেণ ইব ব্যভিচাৰিভাৱাদেঃ স্বশব্দৱাচ্যত্বাদয়ঃ মূর্খত্বাদয়ঃ ইব সাক্ষাৎ কাব্যস্য আত্মভূতং ৰসম্ অপকর্ষয়ন্তঃ কাব্যস্য অপকর্ষকাঃ ইতি উচ্যন্তে। এষাং বিশেষউদাহৰণানি বক্ষ্যামঃ।

গুণাদয়ঃ কিংস্বৰূপাঃ ইতি উচ্যন্তে -

উৎকর্ষহেতৱঃ প্রোক্তা গুণালঙ্কাৰৰীতয়ঃ।

গুণাঃ শৌর্য্যাদিৱৎ, অলঙ্কাৰাঃ কটককুণ্ডলাদিৱৎ, ৰীতয়ঃ অৱয়ৱসংস্থানবিশেষৱৎ, দেহদ্বাৰেণ ইব শব্দার্থদ্বাৰেণ তস্য এব কাব্যস্য আত্মভূতং ৰসম্ উৎকর্ষয়ন্তঃ কাব্যস্য উৎকর্ষকা ইতি উচ্যন্তে। ইহ যদ্যপি গুণানাং ৰসধর্মত্বং তথাপি গুণশব্দোহত্র (গুণশব্দঃঅত্র) গুণ অভিব্যঞ্জকশব্দার্থয়োঃ উপচর্যতে। অতশ্চ (অতঃচ) 'গুণাভিব্যঞ্জকাঃ শব্দা ৰসস্য উৎকর্ষকাঃ' ইতি উক্তং ভৱতি ইতি প্রাক্ এব উক্তম্।

৩.১০.১ কাব্যত দোষ আৰু গুণৰ স্বৰূপ (মূল পাঠৰ ভিত্তিত অসমীয়া আলোচনা)

যিবোৰে কাব্যৰ অপকর্ষ সাধন কৰে সেইবোৰকেই দোষ বুলি কোৱা হয়।

শৰীৰৰ অঙ্গ বিকলতাই যিদৰে কণা, খোৱা আদি ভাৱে অঙ্গ খুঁত থকা পুৰুষৰ বিকৃতি ঘটায় আৰু তাৰদ্বাৰা যিদৰে পৰোক্ষভাৱে আৰু মূর্খতা আদিয়ে প্রত্যক্ষভাৱে আত্মাৰ অপকর্ষ সাধন কৰে, তেনেদৰে শ্রুতিদুষ্ট (শুনিবলৈ কটু), অপুষ্টার্থত্ব (পুষ্ট নহয় এনেকুৱা অর্থ) আদি দোষেও শব্দ আৰু অর্থৰ যোগেদি ৰসৰ অপকর্ষ সাধন কৰে। এইবোৰে ৰসৰ আশ্রয়ত থকা ব্যভিচাৰীভাৱ আদিক দূষিত কৰি আত্মাস্বৰূপ ৰসৰ প্রত্যক্ষভাৱে অপকর্ষ সাধন কৰে। সেই কাৰণেই দোষক কাব্যৰ অপকর্ষক বোলা হৈছে। কাব্যত গুণ আদিৰ স্বৰূপৰ বিষয়ে কোৱা হৈছে— কাব্যৰ উৎকর্ষৰ হেতু হৈছে গুণ, অলঙ্কাৰ আৰু ৰীতি।

গুণ মানুহৰ শৌর্য্যৰ নিচিনা,অলঙ্কাৰ শৰীৰত ধাৰণ কৰা কেয়ূৰ আৰু কুণ্ডলৰ দৰে, আৰু ৰীতি শৰীৰৰ অঙ্গ সংস্থানৰ দৰে। শৌর্য্য, অলঙ্কাৰ, অংগসংস্থান আদিয়ে মানুহৰ শৰীৰৰ যোগেদি পৰোক্ষভাৱে আত্মাৰ উৎকর্ষ সাধন কৰাৰ দৰেই গুণ, অলঙ্কাৰ আৰু ৰীতিয়েও শব্দ আৰু অর্থৰ যোগেদি কাব্যৰ আত্মাস্বৰূপ ৰসৰ উৎকর্ষ সাধন কৰে। সেই কাৰণেই গুণ আদিক কাব্যৰ উৎকর্ষসাধক বুলি কোৱা হৈছে। সেই কাৰণেই গুণাভিব্যঞ্জক শব্দক (গুণ প্রকাশক) ৰসৰ উৎকর্ষ সাধক বুলি কোৱা হৈছে।



জানি থোৱা ভাল

● **সাহিত্যদর্পণত** কাব্যৰ লক্ষণ, তাৰ দোষ-গুণ, ৰীতি, অলঙ্কাৰ আদি আলোচনা কৰা হৈছে। বিশ্বনাথ কবিৰাজে গ্ৰন্থখনত প্ৰতিপাদ্য বিষয় কাৰিকা আৰু বৃত্তিত আলোচনা কৰিছে। কাৰিকাবোৰ শ্লোকত ৰচিত আৰু বৃত্তিবোৰ গদ্যত ৰচিত। বিশ্বনাথ কবিৰাজে নিজক প্ৰথম পুৰুষত (Third Person) ব্যৱহাৰ কৰি কথাবোৰ প্ৰকাশ কৰিছে। তেনেদৰে নিজৰ অভিপ্ৰায় বা মত প্ৰকাশ কৰাটোৱে তেতিয়াৰ কালৰ প্ৰথা আছিল। লেখকে প্ৰথমতে আনৰ মত উল্লেখ কৰি তাক যুক্তিৰে পৰিহাৰ কৰিহে নিজৰ মত প্ৰতিষ্ঠিত কৰিছে।

● সাহিত্যদর্পণ গ্ৰন্থত মুঠ দহটা পৰিচ্ছেদ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ বিশ্বনাথ কবিৰাজে কিহক কাব্যৰ আত্মা বুলি কৈছে?

.....

প্ৰশ্ন নং ৭ ঃ কোনবোৰে কাব্যৰ উৎকর্ষ সাধন কৰে?

.....

প্ৰশ্ন নং ৮ ঃ দোষৰ স্বৰূপ কি?

.....

প্ৰশ্ন নং ৯ ঃ কেনেকুৱা বাক্যক কাব্য বুলি কোৱা হয়?

.....

প্ৰশ্ন নং ১০ ঃ 'কাব্যাত্মা ধ্বনিঃ' —এইটো কাৰ মত?

.....



৩.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- কাব্য অধ্যয়নৰ ফলনো কি তাকো আপুনি জানিলে। **সহিত্যদর্পণ** গ্ৰন্থখন অধ্যয়নৰ প্ৰয়োজনীয়তাও জানিলে।
- কাব্যৰ লক্ষণ নির্দ্ধাৰণ কৰিবলৈ গৈ বিশ্বনাথ কবিৰাজে মম্মট, কুন্তক, বামন আৰু আনন্দ বর্দ্ধনৰ মত পৰিহাৰ কৰি নিজৰ মত প্ৰতিষ্ঠিত কৰাৰ কথাও আপুনি জানিলে।
- অনুবন্ধ চাৰিটাৰ বিষয়েও আপুনি ইয়াত অধ্যয়ন কৰিব পাৰিলে। কাব্যৰ দোষ আৰু গুণৰ বিষয়েও আপুনি অবগত হ'ল।

- **সাহিত্যদর্পণ**ৰ প্রথম পৰিচ্ছেদৰ বিষয়বস্তুৰ মূল সংস্কৃত পাঠ আৰু লগতে অসমীয়া আলোচনাও আপুনি অধ্যয়ন কৰিলে। মম্মটভট, কুন্তক, আনন্দবর্দ্ধন, বামন আদি আলঙ্কাৰিকসকলৰ সামান্য পৰিচয়ো এই অধ্যায়টিত পালে।



৩.১২ অধিক জানিবলৈ

১) কানে, পি. ভি., *দি সাহিত্যদর্পণ* (১ম, ২য় আৰু দশম অধ্যায়) (১৯৭৪), দিল্লী ঃ মতিলাল বার্ণাৰসী দাস।

২) শর্ম্মা, পণ্ডিত তীর্থনাথ, *সাহিত্য-বিদ্যা পৰিক্রমা* (১৯০৭ শক), বাণী প্রকাশ।

৩) শাস্ত্রী, আচার্য্য মনোৰঞ্জন, *সাহিত্যদর্শন*।



৩.১৩ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ধর্ম্ম, অর্থ, কাম আৰু মোক্ষক একেলগে বুজায়।

২নং প্রশ্নৰ উত্তৰ ঃ মম্মটে ৰচনা কৰা গ্রন্থখন 'কাব্যপ্রকাশ'।

৩নং প্রশ্নৰ উত্তৰ ঃ কুন্তক 'বক্রোক্তিজীৱিত' গ্রন্থৰ ৰচক।

৪নং প্রশ্নৰ উত্তৰ ঃ ধ্বনি-তত্ত্বৰ আলোচনা আনন্দবর্দ্ধনে কৰিছে।

৫নং প্রশ্নৰ উত্তৰ ঃ সাহিত্যদর্পণৰ অধ্যায়ক পৰিচ্ছেদ বুলি কোৱা হয়।

৬নং প্রশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজে ৰসক কাব্যৰ আত্মা বুলি কৈছে।

৭নং প্রশ্নৰ উত্তৰ ঃ গুণ, অলঙ্কাৰ আৰু ৰীতিয়ে কাব্যৰ উৎকর্ষ সাধন কৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ দোষবোৰে কাব্যৰ অপকর্ষ সাধন কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ ৰসাত্মক বাক্যক কাব্য বুলি কোৱা হয়।

১০নং প্রশ্নৰ উত্তৰ ঃ এইটো আনন্দবর্দ্ধনৰ মত।



৩.১৪ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ বিশ্বনাথ কবিৰাজে কাব্যৰ লক্ষণ কেনেকৈ নিৰূপণ কৰিছে লিখক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ কাব্যৰ শ্রেষ্ঠত্বৰ আধাৰত এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ঃ 'বাক্যং ৰসাত্মকং কাব্যম্' —এই বাক্যফাঁকি বহলাই ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সাহিত্যদর্পণৰ প্রথম পৰিচ্ছেদৰ বিষয়বস্তুৰ বিষয়ে আপোনাৰ নিজৰ ভাষাত লিখক।

প্রশ্ন ২ ঃ কাব্য অধ্যয়নৰপৰা কি ফল লাভ হয় লিখক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক— বিধেয়াৱিমর্শ দোষ, নিত্যদোষ, বৃত্তি, কাৰিকা।

*** ***** ***